

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ইতিহাস খণ্ডৰ আগকথা

পাঠ - ১৬

মোগল ৰাজত্ব কালত ভাৰতবর্ষ

অংশ – ৪ (প্রশ্ন – উত্তৰ)

পৰিনীতা দেৱী

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


৪। চমু উত্তৰ লিখা —

(ক) একত্রিত ভাৰতবর্ষৰ সপোন আশিংকভাৱে কার্যকৰী কৰিবলৈ সক্ষম হোৱা সম্রাট দুজন কোন কোন আছিল?

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ একত্রিত ভাৰতবর্ষৰ সপোন আশিংকভাৱে কার্যকৰী কৰিবলৈ সক্ষম হোৱা সম্রাট দুজন আছিল মহামতি অশোক আৰু আকবৰ।



(খ) ঔৰংগজেৱৰ সাম্ৰাজ্যৰ বিস্তৃতি ক'ৰপৰা ক'লৈ আছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ ঔৰংগজেৱৰ সাম্ৰাজ্যৰ বিস্তৃতি পূবে বংগৰ পৰা পশ্চিমে গুজৰাটলৈ আৰু উত্তৰে কাবুলৰ পৰা দক্ষিণে কৰ্ণাটকলৈ আছিল।



(গ) মোগলৰ প্ৰাদেশিক শাসন ব্যৱস্থাত চুবেদাৰৰ তলৰ বিষয়াবোৰ কোন কোন?




समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ মোগলৰ প্ৰাদেশিক শাসন ব্যৱস্থাত চুবেদাৰৰ তলৰ বিষয়াবোৰ হ'ল– দিৱান, ফৌজদাৰ আৰু ফটোৱাল।



(ঘ) মোগলসকলৰ শাসন কালত মাটিক কেই ভাগত ভাগোৱা হৈছিল আৰু ভাগবোৰ কি কি?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ মোগলসকলৰ শাসন কালত মাটিক চাৰি ভাগত ভাগোৱা হৈছিল।

সেইকেইটা হৈছে–

১। পোলাজ (যি বিলাক মাটিত প্রতিবছৰে খেতি হয়)।

২। পাৰাউটি (যি বিলাক মাটিত মাজে- সময়ে খেতি বন্ধ কৰি মাটিখিনি উর্বৰ কৰা হয়)।

৩। চাচ্চাৰ (যি মাটিত ৩/৪ বছৰ খেতি কৰা নহয়)।

৪। বানজাৰ (যি মাটি ৫ বছৰ বা তাতোধিক কাল খেতি নোহোৱাকৈ পৰি থাকে)।



(ঙ) মনচবদাৰসকলক কিদৰে পাৰিতোষিক দিয়া হৈছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ মনচবদাৰসকলক পদমর্যাদা অনুসৰি পাৰিতোষিক দিয়া হৈছিল। এই পাৰিতোষিক নগদ ধনৰ পৰিৱর্তে জায়গীৰ প্রদানৰ দ্বাৰা কৰা হৈছিল। এই জায়গীৰৰপৰা মনচবদাৰসকলে নির্দিষ্ট পৰিমাণৰ পাৰিতোষিক ল'ব পাৰিছিল।

(চ) মোগল সাম্রাজ্যত কৰ সংগ্রহৰ বাবে কি কি পদ্ধতিৰ প্রচলন আছিল।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ মোগল সাম্ৰাজ্যত কৰ সংগ্ৰহৰ বাবে চাৰিটা পদ্ধতিৰ প্ৰচলন আছিল।

সেইকেইটা হৈছে–

১। দহচাল বা দহবছৰীয়া পদ্ধতি।

২। জাবটি পদ্ধতি।

৩। ঘালা বকচী। আৰু

৪। নাচাক বা কাণকূট পদ্ধতি।

৫। ৫০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখা —

(ক) মোগলসকলৰ বিচাৰ ব্যৱস্থা।


(খ) মনচবদাৰী প্ৰথা।

(ক) মোগলসকলৰ বিচাৰ ব্যৱস্থা।

উত্তৰঃ বাবৰে স্থাপন কৰা মোগল সাম্ৰাজ্যৰ ভেটি সুদৃঢ় কৰিছিল সম্ৰাট আকবৰে। প্ৰকৃততে মোগল শাসন ব্যৱস্থা আৰবীয়, পাৰ্চী আৰু স্থানীয় ভাৰতীয় শাসন ব্যৱস্থাৰ সংমিশ্ৰণ আছিল। মোগল সম্ৰাটসকল আছিল শাসনৰ সৰ্বময় শক্তি। তেওঁলোকৰ শাসনৰ বিৰুদ্ধে প্ৰতিবাদ হ'ব নোৱাৰিছিল বৰং বিদ্ৰোহহে হৈছিল।

সম্রাটক পৰামর্শ দিবলৈ এখন সভা আছিল। কেন্দ্রীয় শাসন, প্রাদেশিক শাসন, সামৰিক শাসন, বিচাৰ ব্যৱস্থা, কৰ-কাটলৰ ব্যৱস্থা, মনচবদাৰী প্রথা আদি সু-শৃঙ্খল ব্যৱস্থাৰ যোগেদি মোগল সম্রাটসকলে সু-বিশাল সাম্রাজ্যখন নিয়াৰিকৈ শাসন কৰিছিল। মোগল ৰাজত্ব কালত সম্রাটেই আছিল শাসন আৰু বিচাৰৰ কেন্দ্র। বিচাৰ ব্যৱস্থা কোৰাণৰ নীতি-নির্দেশনা মতে পৰিচালিত হৈছিল।

গাঁও পর্যায়ত পঞ্চায়তে বাছি দিয়া লোকৰ দ্বাৰা বিচাৰ কার্য সমাপন কৰা হৈছিল। চুবেদাৰসকলৰ বিচাৰৰ ক্ষমতা সীমিত আছিল বাবে যিকোনো বিচাৰ নিষ্পত্তিৰ বাবে সম্ৰাটৰ ওচৰলৈ পঠিয়াইছিল।



(খ) মনচবদাৰী প্ৰথা।

উত্তৰঃ মোগল প্ৰশাসনৰ এক উল্লেখযোগ্য ব্যৱস্থা হৈছে মনচবদাৰী প্ৰথা। মনচব হ'ল এটা আৰবী শব্দ আৰু ইয়াৰ অৰ্থ হ'ল পদ বা স্থান। সেয়ে মনচবদাৰ শব্দটোৰে পদ মৰ্যাদা বা উপাধি বুজোৱা হৈছিল। ইতিহাসবিদসকলৰ মতে ১৫৭৭ খ্ৰীঃত মহামতি আকবৰ মোগল শাসন ব্যৱস্থাত এই প্ৰথাৰ প্ৰচলন কৰিছিল।

সম্ভৱতঃ সামৰিক বাহিনী শক্তিশালী, পৰিকল্পিত আৰু নিয়মানুবর্তী কৰাৰ উদ্দেশ্যে ইয়াৰ প্ৰৱর্তন কৰা হৈছিল। মনচবদাৰসকলে সামৰিক আৰু অসামৰিক দুয়ো ক্ষেত্ৰতে প্ৰয়োজন সাপেক্ষে সেৱা আগবঢ়াবলগীয়া হৈছিল। উল্লেখ্য যে উত্তৰাধিকাৰ সূত্ৰে কোনেও মনচবদাৰ হ'ব নোৱাৰিছিল। মনচবদাৰসকলৰ নিয়োগ আৰু পদোন্নতি সম্পূৰ্ণৰূপে সম্ৰাটৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত নির্ভৰ কৰিছিল।

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

পদমর্যাদা অনুসৰি মনচবদাৰসকলৰ পাৰিতোষিক নির্দিষ্ট কৰা হৈছিল। এই পাৰিতোষিক নগদ ধনৰ পৰিৱর্তে জায়গীৰ প্রদানৰ দ্বাৰা কৰা হৈছিল। এই জায়গীৰৰপৰা মনচবদাৰসকলে নির্দিষ্ট পৰিমাণৰ পাৰিতোষিক ল'ব পাৰিছিল।